জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৫৯/২০২০

# মুখ্যমন্ত্ৰীয়ে বীৰ চিলাৰায় বঁটা প্ৰদান কৰিলে অৰ্জুন ভোগেশ্বৰ বৰুৱাক

## আমাৰ অসম, আমাৰ মাটি, আমাৰ অধিকাৰ সুনিশ্চিত কৰাৰ বাবে ৰাজ্য চৰকাৰে দৃঢ়তাৰে কাম কৰি আহিছে ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ৯ ফেব্ৰুৱাৰী ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি বঙাইগাঁৱৰ আই টি আই খেলপথাৰত বীৰ চিলাৰায় দিৱস উপলক্ষে আয়োজিত অনুষ্ঠানত অৰ্জুন ভোগেশ্বৰ বৰুৱাক বীৰ চিলাৰায় বঁটা প্ৰদান কৰে। এই বঁটাত আছে এখন প্ৰশস্তি পত্ৰ, শৰাই, অংগবস্ত্ৰ আৰু ৩ লাখ টকাৰ চেক।

এই উপলক্ষে আয়োজিত সভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সোণোৱালে বীৰ চিলাৰায়ৰ প্ৰতি গভীৰ শ্ৰদ্ধা নিবেদন কৰি কয় যে আজিৰ প্ৰতিযোগিতামুখী যুগত এখন সমৃদ্ধশালী অসম গঢ়াৰ বাবে বীৰ চিলাৰায়ৰ আদৰ্শ আৰু জীৱন দৰ্শনৰে আমি আগবাঢ়িব লাগিব। মুখ্যমন্ত্ৰীয়ে কয় যে আমাৰ চৰকাৰ ৰাজ্যখনৰ খিলঞ্জীয়া জনসাধাৰণৰ আশা-আকাংক্ষা ৰূপায়নৰ বাবে দায়বদ্ধ। কোচ ৰাজবংশী জনগোষ্ঠীৰ লোকসকল পৰিশ্ৰমী আৰু উৎসৰ্গিত মনোভাৱৰ বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে অসমক সকলো ক্ষেত্ৰতে আগুৱাই নিয়াৰ বাবে এই জনগোষ্ঠীৰ লোকসকলে বিশেষ ভূমিকা গ্ৰহণ কৰিব লাগিব বুলিও কয়। তেখেতে লগতে এখন সমৃদ্ধিশালী অসম নিৰ্মাণ কৰিবলৈ আমি সকলোৰে অধিক পৰিশ্ৰম কৰিব লাগিব বুলি কয়।

মুখ্যমন্ত্ৰীয়ে কয় যে খিলঞ্জীয়াৰ অধিকাৰ সুনিশ্চিত কৰাৰ বাবে ৰাজ্য চৰকাৰে কাম কৰি আহিছে। চৰকাৰে ১ লাখ খিলঞ্জীয়া লোকক মাটিৰ পট্টা দিয়াৰ পদক্ষেপৰ বিষয়টো উল্লেখ কৰি কয় যে বৰ্তমানৰ ৰাজ্য চৰকাৰে আমাৰ অসম, আমাৰ মাটি, আমাৰ অধিকাৰ সুনিশ্চিত কৰাৰ বাবে দৃঢ়তাৰে কাম কৰিছে। মুখ্যমন্ত্ৰীয়ে কয় যে কোচ ৰাজবংশীকে ধৰি প্ৰতিটো জাতি-জনগোষ্ঠীৰ লোকক সৱলীকৰণ কৰাৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰ দায়বদ্ধ। কমতাপুৰ স্বায়ত্ত শাসিত পৰিষদ গঠনৰ বিষয়টো উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে কোচ ৰাজবংশী জনগোষ্ঠীৰ লোকসকলৰ আশা-আকাংক্ষা ৰূপায়নৰ বাবে ৰাজ্য চৰকাৰে দায়বদ্ধতাৰে পদক্ষেপ লৈছে। মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্যখনৰ সকলো খিলঞ্জীয়া লোকৰ স্বাৰ্থ সুৰক্ষিত কৰাৰ বাবে ৰাজ্য চৰকাৰ বদ্ধপৰিকৰ আৰু বৰ্তমানৰ চৰকাৰে এই ক্ষেত্ৰত অগ্ৰাধিকাৰৰ ভিত্তিত কাম কৰি আহিছে। খাদ্য আৰু অসামৰিক যোগান মন্ত্ৰী ফণীভূষণ চৌধুৰী আৰু পৰ্যটন বিভাগৰ মন্ত্ৰী চন্দন ব্ৰহ্মই জনোৱা দাবী সম্পৰ্কত মুখ্যমন্ত্ৰীয়ে কয় যে বঙাইগাঁৱত গুৱাহাটী বিশ্ববিদ্যালয়ৰ চৌহদ স্থাপনৰ বিষয়টো ৰাজ্য চৰকাৰে ইতিবাচক দৃষ্টিভংগীৰে গ্ৰহণ কৰিব।

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in

# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

ৰাজ্যখনৰ ঐক্য আৰু সংহতি অক্ষুণ্ণ ৰখাৰ ওপৰত গুৰুত্ব আৰোপ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে বিভিন্ন জনগোষ্ঠীৰ সহাৱস্থানৰ মাজেৰে উন্নয়নৰ বাবে ৰাজ্য চৰকাৰে যি পদক্ষেপ গ্ৰহণ কৰিছে তাত জনসাধাৰণে সহযোগিতাৰে আগবাঢ়িব লাগিব।

অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে ‘সংগ্ৰামসিংহ’ শীৰ্ষক এখন স্মৃতিগ্ৰন্থ উন্মোচন কৰে।

অনুষ্ঠানত খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্ৰী ফণীভূষণ চৌধুৰী, পৰ্যটন বিভাগৰ মন্ত্ৰী চন্দন ব্ৰহ্ম, সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ ৰাজ্যিক (স্বতন্ত্ৰ) মন্ত্ৰী নৱ কুমাৰ দলেইও ভাষণ প্ৰদান কৰে। ৰাজ্য চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত আৰু বঙাইগাওঁ জিলা প্ৰশাসন, কোচ ৰাজবংশী জনগোষ্ঠীৰ বিভিন্ন গোটৰ সহযোগত আয়োজিত অনুষ্ঠানত বিধায়ক অশোক কুমাৰ সিংঘী, অশ্বিনীৰয় সৰকাৰ, অনন্ত মাল্লু, কোচ ৰাজবংশী সংগঠনৰ প্ৰতিনিধিৰ লগতে অন্যান্য গণ্য-মান্য ব্যক্তি সকল উপস্থিত থাকে।

**সুঃদঃ / পুঃডেঃ**

**৯/০২/২০২০**